**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 09-March-2026
**Time :** 0755  HRS

***Assamese Morning Bulletin***
——————————————

আইচিচি টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত তৃতীয়বাৰৰ বাবে খিতাপ জয় কৰি ভাৰতে ইতিহাস ৰচনা কৰিছে। যোৱা নিশা আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত অনুষ্ঠিত ফাইনেলত ভাৰতে নিউজিলেণ্ডক ৯৬ ৰানত হৰুৱাই একেৰাহে দ্বিতীয়বাৰৰ বাবে টী-২০ বিশ্বকাপত চেম্পিয়ন হয়। সূৰ্যকুমাৰ যাদৱ নেতৃত্বাধীন ভাৰতীয় দলে নিৰ্ধাৰণ কৰি দিয়া ২৫৬ ৰানৰ বৃহৎ লক্ষ্যৰে খেল আৰম্ভ কৰি নিউজিলেণ্ডে ১৯ অভাৰত আটাইকেইটা উইকেট হেৰুৱাই কেৱল ১৫৯ ৰানহে কৰিবলৈ সমৰ্থ হয়। জছপ্ৰীত বুমৰাই ৪টা উইকেট দখল কৰাৰ লগতে অক্ষৰ পেটেলে ৩টা উইকেট লাভ কৰে। বুমৰাক প্লেয়াৰ অৱ দা মেচ ঘোষণা কৰা হয়।

ইয়াৰ পূৰ্বে ভাৰতে প্ৰথমে বেটিং কৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ২০ অভাৰত ৫ উইকেটৰ বিনিময়ত ২৫৫ ৰান সংগ্ৰহ কৰে। টি-২০ বিশ্বকাপ ক্ৰিকেটৰ ফাইনেলত এয়া আছিল ভাৰতৰ সৰ্বাধিক ৰান। অপেনাৰ সঞ্জু ছেমছনে সৰ্বাধিক ৮৭ ৰান কৰাৰ লগতে ঈষাণ কিষাণে ৫৪ আৰু অভিষেক শৰ্মাই ৫২ ৰান কৰে। নিউজিলেণ্ডৰ জেমছ্ নিচমে তিনিটা উইকেট লাভ কৰে। ছেমছনক প্লেয়াৰ অৱ দা ছিৰিজ ঘোষণা কৰা হয়।

০০০০০০

ৰাজ্যৰ ৪০ লাখ হিতাধিকাৰীক অৰুণোদয় আঁচনিৰ তৃতীয় পৰ্যায়ৰ অধীনত কাইলৈ ৯ হাজাৰ টকাকৈ প্ৰদান কৰা হ'ব। সমাজ কল্যাণৰ দিশত গুৰুত্বপূৰ্ণ পদক্ষেপ হিচাপে ৰাজ্য চৰকাৰে মুঠ ৩ হাজাৰ ৬০০ কোটি টকা অৰুণোদয় হিতাধিকাৰীৰ বাবে ব্যয় কৰিব। এই উপলক্ষে তিনি হাজাৰ ৮০০ ৰো অধিক স্থানৰ গাঁও পৰিষদ উন্নয়ন সমিতি, স্বায়ত্ত শাসিত পৰিষদ সমষ্টি, গাঁও পঞ্চায়ত, গাঁও উন্নয়ন সমিতি আৰু নগৰীয়া ৱাৰ্ডত আয়োজিত অনুষ্ঠানত হিতাধিকাৰীসকলক ধনৰাশি প্ৰদান কৰা হ'ব। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কালি ফে'চবুক লাইভযোগে এইকথা প্ৰকাশ কৰে।

বাইট

০০০০০০

ডিব্ৰুগড় লোকসভা সমষ্টিৰ অন্তৰ্গত টিংখাং বিধানসভা সমষ্টিৰ কেইবাটাও পথৰ আধাৰশিলা কালি মন্ত্ৰী বিমল বৰাই স্থাপন কৰে। ইয়াৰে নাওজান আলিমূৰৰ পৰা শালমাৰি চাহ বাগিচা পথ, নামডাং চাৰিআলিৰ পৰা দুই নম্বৰ শ'লগুৰি গাঁও হাতী নামডাং পথ এম এন ৰোডৰ পৰা ৰাংচালী সংযোগী পথ, ১৭ এম এন ৰোডৰ পৰা ঘোঁৰাঘাছ গ্ৰেজিংবাম সংযোগী পথ আৰু বামুনবাৰী বেংগলীপট্টী সংযোগী পথ কেইটাৰ আধাৰশিলা স্থাপন কৰা হয়। মন্ত্ৰী শ্ৰী বৰাই কয়, যে এই পথসমূহৰ নিৰ্মাণ সম্পূৰ্ণ হ'লে বৃহত্তৰ টিংখাং অঞ্চলৰ যাতায়াত ব্যৱস্থাৰ আমূল পৰিৱৰ্তন সাধিত হ'ব।

০০০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কালি ডিগবৈত চুতীয়া ৰাণী সতী সাধনীৰ এটা পূৰ্ণাৱয়ব মূৰ্তি উন্মোচন কৰে। চুতীয়া জাতি উন্নয়ন পুঁজিৰে নিৰ্মাণ কৰা বীৰাংগনা সতী সাধনীৰ প্ৰতিমূৰ্তিটো ডিব্ৰুগড়ৰ প্ৰখ্যাত ভাস্কৰ্য শিল্পী যদুমণি গগৈয়ে নিৰ্মাণ কৰিছে। নগৰখনৰ মাজমজিয়াৰ পাঞ্জাব নেচনেল বেংকৰ সমীপত স্থাপন কৰা চুতীয়া ৰাজ্যৰ

শেষৰগৰাকী ৰাণী বীৰাংগনা সতী সাধনীৰ  এই প্ৰতিমূৰ্তিটোৱে  ৰাজ্যৰ প্ৰতিটো প্ৰজন্মক তেওঁৰ প্ৰবল দেশপ্ৰেম আৰু বীৰ গাঁথাৰ কথা সোঁৱৰাই থাকিব।

০০০০০০

ৰাজ্যৰ মুখ্য সচিব ৰবি কোটাৰ সৈতে যোৰহাট জিলাৰ জয় শিৱানীয়ে কালি সন্ধিয়া যোৰহাট কেন্দ্ৰীয় কাৰাগাৰৰ সমীপত নিৰ্মীয়মান স্বাধীনতা স্মাৰক উদ্যান আৰু সংগ্ৰহালয় প্ৰকল্প পৰিদৰ্শন কৰে। তেওঁলোকে লগতে কাম-কাজৰ অগ্ৰগতি সন্দৰ্ভত সংশ্লিষ্ট বিষয়াৰ সৈতে মত-বিনিময় কৰে। পৰিদৰ্শন কালত মুখ্য সচিব আৰু জিলা আয়ুক্তই লোক নিৰ্মাণ বিভাগক অট্টালিকাসমূহৰ কাম শীঘ্ৰেই সম্পূৰ্ণ কৰিবলৈ নিৰ্দেশ দিয়ে।

০০০০০০

আসন্ন বিধানসভা নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত ৰাজ্যত ৰাজনৈতিক দলসমূহৰ মাজত নিৰ্বাচনী তৎপৰতা পৰিলক্ষিত হৈছে। বিজেপিয়ে জন আশীৰ্বাদ যাত্ৰাৰ জৰিয়তে জনতাৰ কাষ চপাৰ চেষ্টা কৰাৰ সমান্তৰালকৈ বিৰোধী দল কংগ্ৰেছে সময় পৰিৱৰ্তন যাত্ৰাৰ জৰিয়তে ভোটদাতাক আকৰ্ষণৰ বাবে চেষ্টা চলাইছে। মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মাই কালি মাৰ্ঘেৰিটা, ডিগবৈ আৰু মাকুম সমষ্টিত জন আশীৰ্বাদ যাত্ৰাত অংশ লয়। আজি বিজেপিৰ জন আশীৰ্বাদ যাত্ৰাই বজালী, টিহু আৰু নলবাৰী সমষ্টিক সামৰি ল'ব। এই যাত্ৰাত মুখ্যমন্ত্ৰী ডং শৰ্মাই অংশগ্ৰহণ কৰিব।

প্ৰদেশ কংগ্ৰেছৰ সভাপতি গৌৰৱ গগৈয়ে কালি নতুন বৰ অসম যাত্ৰাৰ অংশ হিচাপে মৰাণৰ তিলৈত আয়োজিত চাহ মজদুৰ আদিবাসীসকলৰ মহা সন্মিলনত অংশগ্ৰহণ কৰে।

০০০০০০

**সমাপ্ত**